**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-09-2024 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত NPS বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে।
২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি মধ্য প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা উজ্জয়িনীত উপস্থিত হ'ব।
৩। জম্মু-কাশ্মীৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কালি ৬১ শতাংশৰো অধিক ভোটদান হয়।
৪। ভাৰতে হাংগেৰীত অনুষ্ঠিত ৪৫ সংখ্যক দবা অলিম্পিয়াদৰ মুকলি শিতানৰ সপ্তম ৰাউণ্ডত কালি চীনক পৰাস্ত কৰে।

আৰু

৫। ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

0000000

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত NPS বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিখনৰ কথা ঘোষণা কৰা হৈছিল। এই উপলক্ষে শ্ৰীমতী সীতাৰমনে কয় যে শিশুসকলে এই আঁচনিৰ জৰিয়তে ধন জমা থোৱাৰে পৰাই উচ্চ হাৰৰ ৰিটাৰ্ণ লাভ কৰিব। তেওঁ কয় যে NPS আঁচনিয়ে আৰম্ভণি কালৰেপৰা ভাল ৰিটাৰ্ণ দি আহিছে। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰী খণ্ডৰ বাবে NPS-এ আৰম্ভণিৰেপৰা গড়ে ৯ দশমিক ৫ শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বিকাশ হাৰৰ ৰিটাৰ্ণ দি আহিছে। তেওঁ পিতৃ-মাতৃ আৰু অভিভাৱকসকলক নাবালকসকলৰ বাবে জন্মদিন বা অন্য উপলক্ষ্যত NPS বাৎসল্য আঁচনিত বিনিয়োগ কৰাৰ পৰামৰ্শ আগবঢ়ায়।

একীকৃত পেঞ্চন আঁচনি সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় কেবিনেটে অলপতে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে এই আঁচনিখনত অনুমোদন জনাইছে। আঁচনিখন অহা বছৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। তেওঁ কয় যে পুৰণি পেঞ্চন আঁচনি আৰু নতুন পেঞ্চন আঁচনিৰ ভাল উপাদানসমূহৰ সমাহাৰেৰে এই আঁচনিখন যুগুতাই উলিওৱা হৈছে। এই আঁচনিত অৱসৰৰ পাছত নিশ্চিত পেঞ্চন প্ৰদানৰ ব্যৱস্থা আছে। অনুষ্ঠানত ভাগ লৈ বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়ে কয় যে NPS বাৎসল্য আঁচনিয়ে সামাজিক সুৰক্ষা প্ৰদান কৰিব আৰু সমাজখনক আত্ম-নিৰ্ভৰশীল কৰি তুলিব। বিত্ত মন্ত্ৰালয়ে কৈছে যে NPS বাৎসল্য আঁচনিয়ে অভিভাৱকসকলক পেঞ্চন একাউণ্টত ধন বিনিয়োগ কৰি নিজৰ শিশুসকলৰ ভৱিষ্যত সুৰক্ষিত কৰা আৰু চক্ৰবৃদ্ধিৰ বলত দীৰ্ঘকালীন সম্পদ সুনিশ্চিত কৰিব পাৰিব। আঁচনিখনৰ মাধ্যমেৰে পিতৃ-মাতৃসকলে শিশুসকলৰ নামত বছৰি ন্যূনতম এহেজাৰ টকা বিনিয়োগৰ সুবিধা লাভ কৰিব।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি মধ্য প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা উজ্জয়িনীত উপস্থিত হ'ব। তাত তেওঁ চাফাই মিত্ৰসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে লগতে ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা লেনযুক্ত পথ প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰী মহা কালেশ্বৰ মন্দিৰ পৰিদৰ্শন কৰিব আৰু স্বচ্ছতাই সেৱা পযেকৰ অধীনত মন্দিৰ চৌহদত শ্ৰমদান কৰিব। মধ্য প্ৰদেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকীয়ে ইন্দোৰৰ দেৱী অহিল্যা বিশ্ববিদ্যালয়ৰ সমাৰৰ্তন সমাৰোহত ভাগ ল'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মধ্য প্ৰদেশ ভ্ৰমণ সামৰি আজি বিয়লি দুদিনীয়া  ঝাৰখণ্ড ভ্ৰমণসূচীৰে ৰাঁচীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ৰাঁচীস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় কৃষি মাধ্যমিক প্ৰতিষ্ঠানৰ শতবাৰ্ষিকী সমাৰোহক সম্বোধন কৰিব। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰ, কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে শতবাৰ্ষিকী অনুষ্ঠানত ভাগ ল'ব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে ২১ ছেপ্তেম্বৰত ৱাশ্বিংটনৰ ডেলাৱেৰত হ'বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত ভাগ ল'ব। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অনুৰোধ মৰ্মে অহা বছৰ কোৱাড শীৰ্ষ সন্মিলনৰ আয়োজন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে বৈঠকত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে বিগত এটা বছৰত ৰাষ্ট্ৰগোষ্ঠীটোৱে লাভ কৰা প্ৰগতিৰ পৰ্যালোচনা চলাব। তেওঁলোকে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দেশসমূহক নিজৰ নিজৰ উন্নয়নৰ লক্ষ্য আৰু আশা-আকাংক্ষা পূৰণ কৰাত সহায় কৰাৰ বাবে পৰৱৰ্তী এটা বছৰৰ বাবে কাৰ্যসূচী নিৰ্ধাৰণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ২৩ ছেপ্তেম্বৰত নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলনক সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ভিন ভিন বিষয় লৈ আলোচনা কৰিব। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে নিউয়ৰ্কত ভাৰতীয় সম্প্ৰদায়ৰ এটা সমাবেশকো সম্বোধন কৰিব। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, অৰ্দ্ধপৰিবাহী আৰু জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব।

0000000

জম্মু-কাশ্মীৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কালি ৬১ শতাংশৰো অধিক ভোটদান হয়। ভোটদানৰ এই হাৰ বিগত ৩৫ বছৰৰ ভিতৰত সৰ্বাধিক। এই পৰ্যায়ত ৰাজ্যখনৰ ৭ খন জিলা – ক্ৰমে পুলৱামা, শ্ব'পিয়ান, কুলগাম, কিষ্টৱাৰ, অনন্তনাগ, ৰামবাণ আৰু ডোডাৰ ২৪ টা সমষ্টি সামৰি লোৱা হয়। নিৰ্বাচন আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত যুৱ আৰু মহিলা ভোটদাতাসকলে উৎসাহেৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে আৰু ইয়াৰপৰা জম্মু-কাশ্মীৰৰ জনসাধাৰণে গণতন্ত্ৰক গভীৰভাৱে আঁকোৱালি লোৱাৰ কথা স্পষ্ট হৈ উঠিছে। আয়োগে ভোটদানৰ এই উৎসাহক বৰ্জন আৰু হিংসাৰ বিৰুদ্ধে আৰু বেলটৰ সপক্ষে শক্তিশালী প্ৰতিক্ৰিয়া বুলি অভিহিত কৰিছে।

000000000

নতুন দিল্লীত আজিৰে পৰা ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ শীৰ্ষক চাৰিদিনীয়া এক বৃহৎ অনুষ্ঠান আৰম্ভ হ'ব। খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰালয়ে জনোৱা অনুসৰি অনুষ্ঠানত ৯০খনতকৈও অধিক দেশ, ২৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপৰি ১৮টা মন্ত্ৰালয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত জাপানে অংশীদাৰ দেশ তথা ভিয়েটনাম আৰু ইৰাণে বিশেষ গুৰুত্বৰ দেশ হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত খাদ্য প্ৰসংস্কৰণ খণ্ডৰ উদ্ভাৱন, প্ৰযুক্তি আৰু বহনক্ষমতাৰ প্ৰতিফলন পৰিলক্ষিত হ'ব। খাদ্য প্ৰসংস্কৰণ ক্ষেত্ৰত ভাৰতক বিশ্ব শক্তিকেন্দ্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত এই অনুষ্ঠান উল্লেখযোগ্য হিচাপে বিবেচিত হৈছে।

00000

পশ্চিম বংগৰ প্ৰতিবাদকাৰী কনিষ্ঠ চিকিৎসকসকলৰ সৈতে নবান্নাস্থিত ৰাজ্যিক সচিবালয়ত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ বৈঠকখন কোনোধৰণৰ সিদ্ধান্ত অবিহনে সমাপ্ত হৈছে। ইয়াৰ ফলত কনিষ্ঠ চিকিৎসকসকলে কৰ্মবিৰতি

আৰু প্ৰতিবাদ অব্যাহত ৰাখিব বুলি ঘোষণা কৰিছে। কনিষ্ঠ চিকিৎসকসকলে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ গোচৰ সন্দৰ্ভত স্বাস্থ্য সচিবৰ বিৰুদ্ধে অপসাৰণ আৰু অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। তেওঁলোকে কৈছে যে ৰাজ্য চৰকাৰে এই বিষয়সমূহৰ ওপৰত কোনো ধৰণৰ আশ্বাস প্ৰদান কৰা নাই। চিকিৎসকসকলে ৰাজ্যখনৰ মুখ্য সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনৰ বিস্তৃত বিৱৰণ বিচাৰিছিল যদিও চৰকাৰে সেয়াও প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। কালি সন্ধিয়া পাঁচ ঘণ্টাৰো অধিক সময় ধৰি চলা এই বৈঠকত চিকিৎসকৰ ৩০ জনীয়া এটা দলে অংশগ্ৰহণ কৰে। তেওঁলোকৰ দাবীসমূহ আনুষ্ঠানিকভাৱে মানি লৈ ৰূপায়ন নকৰা পৰ্যন্ত এই প্ৰতিবাদ অব্যাহত থাকিব বুলি কনিষ্ঠ চিকিৎসকসকলে জানিবলৈ দিছে।

০০০০০০০০০

লেবাননত মঙলবাৰে আৰু কালি সংঘটিত ধাৰাবাহিক বিস্ফোৰণত কমেও ৩২ জন লোকৰ মৃত্যু হৈছে। এই বিস্ফোৰণলানিত সশস্ত্ৰ সংগঠন হিজবুল্লাহে কিছু যোগাযোগৰ সঁজুলি ব্যৱহাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি কালি দেশখনত সংঘটিত ৱাকি-টকি বিস্ফোৰণত মৃত্যু হোৱা লোকৰ সংখ্যা কমেও ২০লৈ বৃদ্ধি পাইছে আৰু ৪৫০ জনতকৈ অধিক লোক আহত হৈছে। ইয়াৰ পূৰ্বে মঙলবাৰে পেজাৰ বিস্ফোৰণত কমেও ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ৩০০০ লোক আহত হয়।

পূৰ্বৰ বিস্ফোৰণত নিহত লোকসকলৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে হোৱা বৃহৎ জনসমাগমৰ সমীপত নতুন বিস্ফোৰণ সংঘটিত হয়।

মঙলবাৰে স্থানীয় সময় অনুসৰি বিয়লি প্ৰায় ৩বাজি ৪৫ মিনিটত বেইৰুট আৰু আন কেইবাটাও অঞ্চলত প্ৰথমলানি বিস্ফোৰণ আৰম্ভ হয় আৰু কালি স্থানীয় সময় অনুসৰি বিয়লি প্ৰায় পাঁচ বজাত আন এলানি বিস্ফোৰণ সংঘটিত হয়।

ইপিনে, ইজৰাইলে অঞ্চলটোত উত্তেজনা বৃদ্ধি কৰাৰ অভিযোগ উত্থাপন কৰি জৰ্ডানৰ বিদেশ মন্ত্ৰী আয়মান ছাফাদীয়ে ইজৰাইলে পশ্চিম এছিয়াক আঞ্চলিক যুদ্ধৰ গৰাহলৈ ঠেলি দিছে বুলি মন্তব্য কৰিছে। ইফালে, পেজাৰ নিৰ্মাণ কৰা টাইৱান আৰু হাংগেৰীৰ দুটা কোম্পানীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ তেওঁলোকে অস্বীকাৰ কৰিছে। ইয়াৰ বিপৰীতে ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী য়'আভ গেলেণ্টে যুদ্ধৰ এক নতুন যুগ আৰম্ভ হৈছে বুলি উল্লেখ কৰিছে।

০০০০০০০০০

ভাৰতে হাংগেৰীত অনুষ্ঠিত ৪৫ সংখ্যক দবা অলিম্পিয়াদৰ মুকলি শিতানৰ সপ্তম ৰাউণ্ডত কালি চীনক ২ দশমিক ৫ - ১ দশমিক ৫ ফলাফলেৰে পৰাস্ত কৰে। ভাৰতৰ হৈ ডন্মা ৰাজু গুকেছে  চীনা প্ৰতিদ্বন্দ্বী ৱেই ইক পৰাস্ত কৰাৰ বিপৰীতে ৰাউণ্ডৰ বাকী তিনিখন খেল ড্ৰ'ৰে সমাপ্ত হয়। এই ফলাফলৰ সুবাদত মুকলি শিতানত ভাৰতীয় দলটোৱে মুঠ ১৪ পইণ্ট অৰ্জন কৰিছে। একেদৰে, ভাৰতীয় মহিলা দলটোৱেও জৰ্জিয়াৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰি ১৪ পইণ্ট লাভ কৰিছে। দুয়োটা দল এই পৰ্যন্ত প্ৰতিযোগিতাত অপৰাজিত হৈ আছে আৰু পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। গৌতম গম্ভীৰে প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত এয়া ভাৰতৰ প্ৰথমটো টেষ্ট শৃংখলা হ'ব। বাংলাদেশে অলপতে দেশৰ মাটিত পাকিস্তানক ২-০ ফলাফলেৰে পৰাস্ত কৰি টেষ্ট ক্ৰিকেটত ইতিহাস ৰচনা কৰিছে আৰু

দলটোৰ আত্মবিশ্বাস প্ৰবল হৈ আছে। ইয়াৰ বিপৰীতে ভাৰতেও শেহৰটো টেষ্ট শৃংখলাত ইংলেণ্ডৰ বিৰুদ্ধে ৪-১ ফলাফলত জয়লাভ কৰিছে।

টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। টেষ্ট শৃংখলাৰ পাছতে দুয়োটা দলৰ মাজত তিনিখন টী-টুৱেণ্টী খেল অনুষ্ঠিত হ'ব। শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰত, দ্বিতীয়খন ৯ অক্টোবৰত দিল্লীত আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০